# যোগাযোগ

**JOGAJOG**
**October: 2018**

**Vol : 10 No:13 Sl No: 120**

**Monthly Newsletter of Assam Association, Delhi**



*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com



Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com




## অসম এছোচিয়েছন, দিল্লীৰ বছৰেকীয়া সাধাৰণ সভা

যোৱা ইংৰাজী ৩০ ছেপ্টেম্বৰ ২০১৮ তাৰিখ দেওবাৰে সন্ধিয়া ৫ বজাৰপৰা ৮.১৫ বজালৈকে নতুন দিল্লীৰ সৎসংগ মাৰ্গস্থিত শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ প্ৰেক্ষাগৃহত অসম এছোচিয়েছন, দিল্লীৰ বছৰেকীয়া সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে এছোচিয়েছনৰ সভাপতি অচ্যুৎ কুমাৰ শইকীয়াদেৱে। এই সভাত সাধাৰণ সম্পাদক দীপক শইকীয়াই বছৰেকীয়া প্ৰতিবেদন পাঠ কৰাৰ লগতে কোষাধ্যক্ষ পবিত্ৰ কুমাৰ নাথে বছৰেকীয়া হিচাপ-নিকাচ উত্থাপন কৰে। আনহাতে অসম এছোচিয়েছন সাংস্কৃতিক আৰু শৈক্ষিক ন্যাসৰ বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে ব্যৱস্থাপক ন্যাসৰক্ষী হৰেকৃষ্ণ দাসে।

এই বাৰ্ষিক প্ৰতিবেদনকেইখনৰ ওপৰত সভাত উপস্থিত এছোচিয়েছনৰ

আজীৱন সদস্যসকলে মুকলিমুৰীয়াকৈ আলোচনা কৰে আৰু বিভিন্ন বিষয়ত প্ৰশ্ন উত্থাপন কৰে। আলোচনাৰ অন্তত এই প্ৰতিবেদনকেইখন গৃহীত কৰা হয়। সভাৰ কাৰ্য্যসূচী অনুসাৰে এই সভাতে এছোচিয়েছনৰ লগত জড়িত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়।

সাধাৰণ সম্পাদকে সলাগৰ শৰাই আগবঢ়োৱাৰ পাছতে সভাপতিয়ে চমু সামৰণি ভাষণেৰে সভা ভঙ্গ কৰে। এই বাৰ্ষিক সাধাৰণ সভাৰ এম.অ'.এম. প্ৰস্তুত কৰি থকা হৈছে আৰু সোনকালেই ইয়াক প্ৰকাশ কৰা হ'ব।

## 'সাময়িক'ৰ বাবে লিখা বিচৰা হৈছে

অসম এছোচিয়েছন, দিল্লী'ৰ মুখপত্ৰ 'সাময়িক'ৰ ভোগালী বিহু ২০১৯ সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা আদি বিচৰা হৈছে। লেখাসমূহ তলত দিয়া ধৰণে হ'ব লাগিব ঃ- (১) এটা প্ৰতিলিপি নিজৰ হাতত ৰাখিহে লিখাসমূহ পঠাব। অপ্ৰকাশিত লিখাসমূহ ঘূৰাই পঠোৱা নহ'ব। (২) বিতৰ্কিত বিষয় অথবা কোনো ব্যক্তি বা সম্প্ৰদায়ক হেয় কৰি লিখা কোনো ধৰণৰ ৰচনা প্ৰকাশ কৰা নহ'ব। (৩) লিখাসমূহ যথাসম্ভৱ চুটি হোৱাটো বাঞ্চনীয়। দুটা শব্দ আৰু শাৰীৰ মাজত যথেষ্ট ঠাই এৰিব লাগিব। (৪) অতি পৰিষ্কাৰকৈ ফুলস্কেপ (A-4 Size) কাগজৰ এপিঠিত লিখিব। চাৰিওফালে কমেও আঁহে চে.মি. কৈ ঠাই এৰিব। (৫) লেখকৰ ফোন নম্বৰ, ঠিকনা তথা একপি পাচপ'ৰ্ট চাইজৰ ফটোসহ লিখাসমূহ অহা ৩০ নৱেম্বৰ, ২০১৮ৰ ভিতৰত পোৱাকৈ তলৰ ঠিকনাত পঠাব ঃ-

Manik Chandra Dash,
Editor, SAMAYIK,
c/o Dr. Rampal singh, H No. 112 (2nd Floor),
Gali No. 4, Opposit ICICI Bank ATM,IG
Main IGNOU Road, New Delhi-110068
E-mail : manikdash@yahoo.co.in
Ph No: 9810704392

# অসম এছোচিয়েছন দিল্লীৰ উদ্যোগত পালন কৰা হয় গুৰুজনাৰ তিথি।



অসম এছোচিয়েছন, দিল্লীয়ে যোৱা ইংৰাজী ১১ ছেপ্টেম্বৰত দিল্লীৰ শ্ৰীমন্ত শংকৰদেৱ ভৱনত গুৰুজনা শ্ৰীমন্ত শংকৰদেৱৰ তিথি উদ্‌যাপন কৰে। অসম সত্ৰ মহাসভাৰ দিল্লী শাখাইয়ো এই উদ্‌যাপনত সক্ৰিয়ভাৱে যোগদান কৰে। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ ভৱনত আবেলি ৪ বজাৰ পৰা ৭ বজালৈ নাম প্ৰসঙ্গ অনুষ্ঠিত কৰে সত্ৰ মহাসভাই অসমৰপৰা আমন্ত্ৰণ কৰি অনা শ্ৰীশ্ৰী গজলা সত্ৰৰ নামাচাৰ্য্য শৰৎ মহন্তদেৱে।



গুৰুজনাৰ তিৰোভাৱ তিথিৰ বাবে দিল্লীবাসী অসমীয়া ৰাইজৰ মাজৰে বহুজনে ব্যক্তিগতভাৱেও যথেষ্ট সহায়-সহযোগিতা আগবঢ়ায়। তাৰ ভিতৰত উল্লেখনীয় হ'ল- অচ্যুৎ কুমাৰ শইকীয়া, ৰূপেন গোস্বামী, দীপক শইকীয়া আৰু ত্ৰিদিৱ শইকীয়াই আগবঢ়োৱা আৰ্থিক অনুদান। ইয়াৰ উপৰি পবিত্ৰ নাথ আৰু ইনু নাথৰ দ্বাৰা মাহ-প্ৰসাদ তথা শৰাই সমস্থ খৰচ বহন, অভিজিৎ মহন্তৰ দ্বাৰা মিঠাই, অঞ্জলী বৰুৱাৰ দ্বাৰা পায়সৰ যোগান আৰ নহিদ আহমেদৰ দ্বাৰা চাহৰ খৰচ বহনে এই অনুষ্ঠান আয়োজনত এছোচিয়েছনক বিশেষভাৱে সহায় কৰে।

নাম প্ৰসঙ্গ আৰু প্ৰসাদ বিতৰণৰ পিছতে সন্ধিয়া ৭.৩০ বজাৰপৰা ৯ বজালৈ অধ্যাপক ভৱানন্দ বৰবায়ণৰ নেতৃত্বত অসমৰপৰা আমন্ত্ৰিত শিল্পী আৰু লগতে স্থানীয় শিল্পীৰ দ্বাৰা অঙ্কীয়া নাট "পাৰিজাত হৰণ" প্ৰদৰ্শন কৰা হয়। নাটখনে সমাজৰ বিপুল প্ৰশংসা বুটলিবলৈ সক্ষম হয়।

























এছোচিয়েছনে আয়োজন কৰা এই অঙ্কীয়া ভাওনাৰ শিল্পীবৃন্দ হ'ল-

**নিৰ্দেশনা আৰু প্ৰশিক্ষণঃ ড. ভৱানন্দ বৰবায়ন**

| ভাও | ভাৱৰীয়া |
|---|---|
| সূত্ৰধাৰ | ঃ গাৰ্গী গোস্বামী |
| কৃষ্ণ | ঃ উৎপল শইকীয়া |
| ৰুক্মিনী | ঃ অমৃতা গোস্বামী |
| সত্যভমা | ঃ ঝিলমিল পাঠক |
| সক্ষী-১ | ঃ বৃষ্টি চাবুকধৰা |
| সক্ষী-২ | ঃ টীনা কলিতা |
| ইন্দ্ৰ | ঃ হেমন্ত কুমাৰ কলিতা |
| সচী | ঃ পূজা শীল |
| নাৰদ | ঃ সুমন্যা কাশ্যপ |
| গৰুড়/ৰখীয়া-১ | ঃ বিকাশ দত্ত |
| ৰখীয়া-২ | ঃ অংশুমান বৰুৱা |
| বসুমতী | ঃ সুকন্যা বৰুৱা |
| ভগদত্ত | ঃ দেষ্ণা মহন্ত |
| নৰকাসুৰ | ঃ হৰেশ্বৰ ডেকা |
| দানৱ-১ | ঃ ৰাজীৱ বৰা |
| দানৱ-২ | ঃ প্ৰভাত বৰুৱা |
| দানৱ-৩ | ঃ উজ্জ্বল বৰা |

**সংগীত শিল্পীসকল**

| | |
|---|---|
| খোল (সামগ্ৰিক পৰিচালনা) | ঃ ভৱানন্দ বৰবায়ন |
| খোল | ঃ কিৰণ বৰা |
| তাল | ঃ গোবিন্দ্ৰ কলিতা বায়ন |
| গীত | ঃ দিবাকৰ দাস, নিকু দত্ত, ৰীম পাঠক, |

**মেকআপঃ** সুভাষ

**ৰূপসজ্জাঃ** মিনাক্ষী গগৈ আৰু কিৰণ বৰা

# প্ৰাগজ্যোতিষপুৰ ছচাইটিত ভাদমহীয়া নাম

যোৱা ১৯ আগষ্ট ২০১৮ তাৰিখৰপৰা দ্বাৰকা তথা দিল্লীৰ বিভিন্ন প্ৰান্তৰপৰা অহা ভক্তপ্ৰাণ মহিলাসকলে, প্ৰাগজ্যোতিষপুৰ ছচাইটিত একত্ৰিত হৈ ভাদ-মহীয়া নাম আৰম্ভ কৰিছিল। প্ৰতি বৃহস্পতি বাৰে আয়োজন কৰা নামভাগত সকলো ধৰ্মপ্ৰাণ মহিলাই ঘৰৰ কাম-কাজ সামৰি পুৱাৰ ভাগত প্ৰাগজ্যোতিষপুৰ ছচাইটিত উপস্থিত হৈ ভগৱন্তৰ নাম কীৰ্ত্তনত ভাগ লোৱা দেখা গৈছিল। এই বছৰৰ নামত মহিলাসকলৰ উৎসাহ উদ্দীপনা আগতকৈ দুগুণে বাঢ়ি যোৱাটো উল্লেখনীয় বিষয়। প্ৰতিদিনে প্ৰায় ৫০ গৰাকীৰো অধিক মহিলাই অংশগ্ৰহণ কৰা নামভাগত ব্যৱহৃত হোৱা বাদ্যযন্ত্ৰ সমূহো তেওঁলোকে নিজেই বজাই হৰিনামৰ ধ্বনীৰে আকাশ-বতাহ মুখৰিত কৰি তুলিছিল। ভাদমহীয়া নামৰ দিনকেইটাত গুড়গাঁও, নয়দা, পাট্‌পড়গঞ্জ, দ্বাৰকাৰ বিভিন্ন চেক্টৰৰপৰা অহা মহিলাসকলে প্ৰাগজ্যোতিষপুৰত আয়োজন কৰা নামভাগত শৰাই আগবঢ়াই পৰিয়ালবৰ্গৰ লগতে সমাজৰ সকলোৰে সুখ-শান্তি ও উন্নতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। যোৱা ১৭ ছেপ্টেম্বৰত সংক্ৰান্তিৰ দিনা ভাদমহীয়া নামৰ সামৰণি পৰে।

(সৌজন্যঃ ৰুমী শৰ্মা)


# Matrimonial

**Wanted a suitable match for an Assamese Hindu boy, originally from Guwahati, April '85 born, 5' 6" tall, BE (Electrical), presently working as Project Manager in an MNC in Delhi. The girl should be preferably working in Delhi.**

**Contact : 9435314756**

**E-mail :**

**das. mrinalk@gmail.com**

## ‘‘বিয়লি চ’ৰা’’ৰ দ্বাৰা বিশ্ব বয়োজ্যেষ্ঠ দিৱস উদ্‌যাপন

‘‘বিয়লি চ’ৰা’’ৰ উদ্যোগত বিগত কিছু বছৰৰ দৰেই এইবাৰো যোৱা ১ অক্টোবৰৰ দিনা শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ প্ৰেক্ষাগৃহত বিশ্ব বয়োজ্যেষ্ঠ দিৱস উদ্‌যাপন কৰা হয়। সন্ধিয়া ৫ বজাত



বন্তি প্ৰজ্জ্বলনেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানটিত ‘‘বিয়লি চ’ৰা’’ৰ সভাপতি শ্ৰী নৃপেন্দ্ৰ নাথ গগৈদেৱে উপস্থিত সদস্য-সদস্যাসকলক আদৰণি জনায়। শ্ৰী যোগেশ্বৰ হাজৰিকাদেৱে পৰিৱেশন কৰা এটি গুৰু বন্দনাৰ পিছত শ্ৰী ঈশ্বৰ প্ৰসন্ন হাজৰিকা, শ্ৰী ত্ৰৈলোক্য প্ৰসাদ খাওন্দ আৰু কৰ্ণেল শ্ৰী জিতেন হাজৰিকাদেৱে দুআষাৰ কয়। ‘‘বিয়লি চ’ৰা’’ৰ মুখপত্ৰ ‘বিয়লি’ উন্মোচন কৰে সভাত উপস্থিত বয়োজ্যেষ্ঠা শ্ৰীমতী ছায়া হাজৰিকাই। তাৰ পিচত অতিথি শিল্পী শ্ৰী অংশুমান বৰুৱা আৰু সংগীবৃন্দই পৰিৱেশন কৰা দিহা নাম, শ্ৰীমতী ৰীণা সন্দিকৈৰ গীত, ডঃ জয়ন্তীমালা বৰপূজাৰীৰ কবিতা আবৃতি আৰু শ্ৰীমতী যশোময়ী দেৱীৰ গীত আদিৰে অনুষ্ঠানটিৰ সামৰণি মৰা হয়। শলাগৰ শৰাই আগবঢ়ায় ‘‘বিয়লি চ’ৰা’’ৰ সাধাৰণ সম্পাদক শ্ৰী হিৰণ দত্তই। অনুষ্ঠানটিৰ আঁত ধৰে সাংস্কৃতিক সম্পাদক ডঃ বিজয় মাধৱ হাজৰিকাই। কাৰিকৰী দিশত সহায় আগবঢ়ায় ত্ৰিদিব শইকীয়াই।

খন্তেক বিৰতিৰ পিচত প্ৰয়াত ভবেন্দ্ৰনাথ শইকীয়াদেৱৰ কথাছবি ‘কোলাহল’ প্ৰদৰ্শন কৰা হয় আৰু শেষত নৈশ আহাৰেৰে সেইদিনাৰ কাৰ্যসূচীৰ সামৰণি মৰা হয়। সেইদিনাৰ নৈশ আহাৰৰ ব্যয় বহন কৰে ডঃ জয়ন্তীমালা বৰপূজাৰীয়ে।

*(বাতৰি ‘‘বিয়লি চ’ৰা’’ৰ সৌজন্যত)*


# সৃষ্টিৰ উদ্যোগত শাৰদীয় দুৰ্গাপূজাৰ আয়োজন

যোৱা তিনি বছৰৰ দৰে এইবছৰও সৃষ্টিৰ সহযোগত চতুৰ্থ বাৰৰ বাবে দিল্লীৰ Qutub Institutional Area, Satsang Vihar Marg , শঙ্কৰদেৱ ভৱনৰ কাষত দুৰ্গা পূজা ভাগ পাতিবলৈ লোৱা হৈছে। সম্পূৰ্ণ অসমীয়া ৰীতি নীতিৰে পূজা ভাগ পাতিবলৈ লোৱা হৈছে ,পূজাৰ লগত সঙ্গতি ৰাখি ১৬ আৰু ১৭ অক্টোবৰত সাংস্কৃতিক সন্ধিয়াৰ ও আয়োজন কৰা হৈছে , আটাইকেইদিন সকলোৰে উপস্থিতি আৰু সহায় সহযোগিতা কামনা কৰিলো । কোনোবাই যদি স্ব ইচ্ছাই কিবা দান বৰঙনি আগবঢ়াব বিচাৰে তেন্তে সম্পাদক প্ৰভাত বৰুৱাৰ লগত যোগাযোগ কৰক ৮৪৪৭০৫৭৪৬৪



# সকলোকে NADA -ৰ তৰফৰপৰা শাৰদীয় দুৰ্গাপূজাৰ ওলগ জনালো....




nada
Noida Axomiya Durgotsav Association
Cultural Connect...
Live Performances by Various Artistes of
Bollywood & Fame....
16th October
Saptami Night
Simanta Shekhar
Minakshi Medhi
Tanvi Sharma
Mayukh Hazarika
Anindita Paul
Navami Night
18th October
17th October - Asthami Night
Taanz Performers
Tansen
Sangeet Mahavidyalaya
Thyagaraja Centre
for
Music and Dance
Seasons
...an Assamese Live Band
Day Events for Kids
Drawing Competion
•17th October, 10 a.m. onwards
Extempore Competion
18th October

## সমন্বয়ৰ শাৰদীয় দূৰ্গাপূজাৰ আয়োজন

নতুন দিল্লী ১৯/০৯/২০১৯ -উত্তৰ পশ্চিম দিল্লীস্থ সামাজিক সাংস্কৃতিক অনুস্থান "সমন্বয়ে" বিগত তিনিবছৰৰ দৰে এইবাৰো শাৰদীয় দূৰ্গাপূজা অনুষ্ঠিত কৰিবৰ বাবে সাজু হৈছে। অসম আৰু অসমীয়া জাতিৰ স্বকীয়তা আৰু বৈশিষ্যতা অটুত ৰাখি প্ৰতিবছৰে তেওলোকে অসমৰ পুৰোহিতৰ দ্বাৰা দূৰ্গাপূজাৰ আয়োজন কৰি আহিছে। এইবাৰো পূজাৰ লগত সংগতি ৰাখি বিভিন্ন সাংস্কৃতিক অনুস্থান ,ওজাপালি ,নাম প্ৰসংগ আদিৰ লগত সপ্তমী , অষ্টমী আৰু নৱমীৰ দিনৰ ভাগত কন কন শিশু সকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা যেনে চিত্ৰাংকন, আকস্মিক বক্তৃতা, কৱিতা আবৃতি,কুইজ আদি অনুস্থিত কৰিছে। ইয়াৰ লক্ষনীয় দিশটো প্ৰতিযোগিতা সমূহৰ যোগেদি কন কন শিশু সকলৰ মাজত অসমীয়া ভাষাৰ চৰ্চা আৰু উৎকৰ্ষ সাধন কৰা। এইবাৰৰ পূজাৰ বিভিন্ন কাৰ্যাক্ৰম সমুহ হল -

১৫/১০/২০১৮ ষষ্ঠী : বেলবৰণ আৰু দেৱীৰ প্ৰতিষ্ঠা ,

১৬/১০/২০১৮ মহা সপ্তমী : দিনৰ ভাগত ভোগ আৰু সন্ধীয়া সাংস্কৃতিক অনুস্থান

১৭/১০/২০১৮ মহা অষ্টমী ; দিনৰ ভাগত ভোগ , প্ৰতিযোগিতা আৰু সন্ধীয়া সাংস্কৃতিক অনুস্থান

১৮/১০/২০১৮ মহা নৱমী ; দিনৰ ভাগত পুষ্পাঞ্জলী, ভোগ আৰু সন্ধীয়া সাংস্কৃতিক অনুস্থান

১৯/১০/২০১৮ বিজয়া দশমী ; মা দূৰ্গাৰ বিষৰ্জন

পূজাৰ স্থল হৈছে প্ৰশান্ত বিহাৰ কমিউনিটি হল, পি ভি আৰ প্ৰশান্ত বিহাৰ সমীপত ,চেক্টৰ -১৪ ,প্ৰশান্ত বিহাৰ ,দিল্লী

কোনো সদাশয় ব্যক্তিয়ে যদি সহায় সহযোগ আগবঢ়াব বিচাৰে ,তেন্তে ড০ নিৰঞ্জন ভট্টাচায্য, সভাপতি, ৯৮১০৯৫৪৪৮৩ বা ডাঃ চন্দন কুমাৰ ডেকা ,সম্পাদক ,৯৮১৮০৫৬৭৫৪ ক যোগাযোগ কৰিবলৈ কমিটিৰ পৰা অনুৰোধ কৰা হৈছে।


**PACKERS & MOVERS**

**ASSAM DOOARS LOGISTICS**

**Guwahati : Goenka Building, Kedar Road, Guwahati - 781001**

**Phone : 9864047677, 9864042023**


**Delhi : Chaman Plaza, Opp : ISKCON, East of Kalash,**
**New Delhi – 110065**

**Tel : 011-49077315, 9212248342, 9811348342**

**Concern Person : Pawan Agarwal**

**Email : assamdooarslogistics@gmail.com**

**(Service all Over North East)**


ACEGROUP
fulfilling ACEpirations
www.acegroupindia.com
ACEASPIRE
2/3 BHK APARTMENTS
GREATER NOIDA (WEST)
ACE golfshire
SECTOR-150, NOIDA
READY-TO-MOVE-IN HOMES IN NOIDA Extn.
Actual Picture
SPECIAL TOWER FOR MEMBERS OF ASSAM ASSOCIATION, NEW DELHI
GST FREE
FREE Parking
FREE Club Membership
FREE Floor PLC
FREE Power Backup
FREE EDC/IDC
Actual Picture
ACE GROUP
POSSESSION GURANTEED IN 24 HOURS
For details contact:
Dipankar Phukan - +91 9899836902









**For details contact:**

**Dipankar Phukan - +91 9899836902**